# লোক সংস্কৃতিৰ বৰপেৰাত বিহুৰ প্ৰাসঙ্গিকতা

❑ শ্ৰীমতী কামিনী দেৱী
অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী,
কামাখ্যা বিদ্যালয়

বিহুক অসমীয়া লোক সংস্কৃতিৰ এক অনুপম জাতীয় সম্পদ হিচাবে ধৰা হয়। সংস্কৃত বিষুব শব্দৰ পৰাই বিহু শব্দৰ উৎপত্তি হৈছে। এই বিহু তিনিটা যেনে বহাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু, মাঘ বিহু বা ভোগালী বিহু। অসম এখন কৃষি প্ৰধান দেশ। কৃষিৰ লগত সামঞ্জস্য ৰাখি এই বিহু তিনিটা অসমীয়া জাতিয়ে তাহানি কালৰ পৰাই যুগে যুগে প্ৰচলিত কৰি আহিছে।

কাতি মাহত ধানেগেৰেলী মেলা সময়তে কাতি বিহু পালন কৰি অসমীয়া সমাজে লক্ষ্মী দেৱীক আৰাধনা কৰে। এই বিহুত তুলসী পুলি ৰোপন কৰি নাম-প্ৰসঙ্গ, চাকি আৰু আকাশ বন্তিৰে আলোকিত কৰি ভৰালঘৰ পৰিপূৰ্ণ হবলৈ প্ৰাৰ্থনা জনোৱা হয়।

শালিধানৰ খেতি চপোৱাৰ পিছত আনন্দমূখৰ পৰিবেশত মাঘবিহু বা ভোগালী বিহু নানা ধৰনৰ পিঠা-পনা, লাৰু, পৰমান্ন আদি খাদ্য-সম্ভাৰেৰে পালন কৰা হয়। এই বিহুৰ প্ৰাসঙ্গিকতা হ'ল ভোগ অৰ্থাৎ সম্ভোগৰ দ্বাৰাই প্ৰচলিত হৈ আহিছে। ভেলাঘৰ সাজি তাত ভোজ-ভাত আদি খোৱাৰ পৰা আৰম্ভ কৰি মেজি সাজি প্ৰত্যুষতে মেজি দাহ কৰি আগ্নি সেৱা কৰা আৰু তাত মাহ চাউল-তিল-আদি দলিয়াই দি -

অগ্নি প্ৰজ্বলিতং বন্দে চাতুবৰ্ণং হুতাচনং
সুবৰ্ণ বৰ্ণ মমলং জ্যোতি ৰূপায়তে নমোস্তুতে।

এই মন্ত্ৰৰ দ্বাৰাই অগ্নিক লোভ নিবাৰণ কৰিবলৈ প্ৰাৰ্থনা জনোৱা হয়। তাৰ পিছত ঘৰলৈ আহি ডাঙৰক প্ৰনাম কৰা, ডাঙৰে সৰুক আশীবৰ্বাদ দিয়া আদি অসমীয়া লোক সংস্কৃতিৰ এই অমূল্য পৰম্পৰা। ইয়াৰ পিছত নানা ধৰণৰ খাদ্য আদি গ্ৰহন  কৰা হয়। মাঘ বিহুত অলহীক মাতি খুওৱাৰ পৰম্পৰাও বিদ্যমান।

সংস্কৃতিৰ বৰপেৰাত প্ৰধানকৈ ঠাই দখল কৰিছে বহাগ বিহু বা ৰঙালী বিহুৰ বিহুগীত, বিহুনাচ আৰু পৰম্পৰৰ মাজত গঢ়ি উঠা সমন্বয়ৰ সেতু বিহু হুচৰীৰ গান সমূহৰ লগত মানুহৰ মাজত মিলনৰ তাৎপৰ্য্যৰ প্ৰাসঙ্গিকতা। এই বিলাক হ'ল ব্যাপক অৰ্থৰ সংস্কৃতি। ব্যৱহাৰিক অৰ্থত সংস্কৃতি বুলিলে গীত-মাত, নৃত্য, অভিনয় আদিহে বুজায়। লোক সংস্কৃতি বুলিলে জয়জয়তে আমাৰ মনলৈ আহে বিহুগীত, বিহুনাচ, ওজাপালি, সত্ৰীয়া- ভাওঁনা, পুতলানাচ আদি নানা ধৰনৰ লোক গীত, লোকনৃত্য, ধমীয় নৃত্য, ঢোল, পেঁপা,গগনা সজা কৌশল আদিও ইয়াৰ অন্তৰ্ভূক্ত কৰিব পাৰি। ইয়াৰ লগত

প্ৰধানকৈ জড়িত হৈ আছে বিভিন্ন ৰকমৰ তাতশালৰ কলা-কৌশল তথা কাহিনী ৰচা কৌশল পদ্ধতি।

শঙ্কৰ-মাধৱ প্ৰচাৰিত

"সবাৰে মাজতে আছয় হৰি
সবাকে মানিবা বিষ্ণু বুদ্ধি কৰি।"

এই দৰে সকলো ক্ষেত্ৰৰ সম্পদতে বিহুৰ প্ৰাসঙ্গিকতাত ভগবানৰ নাম উল্লেখযোগ্য । সেয়েহে বিহুগীতত কয় -

"কৃষ্ণৰ মূৰতে বকুলফুল এপাহি
নিয়ৰ পাই মুকলি হ'লহে
গোবিন্দই ৰাম।"

এইদৰে ভগবানৰ নামলৈ বিহুৱা দলে বিহু হুচৰীৰ পাতনি মেলে। বিহু হুচৰী বিলাক অসমীয়া কলা ভৰালৰ ৰত্নস্বৰূপ। সুদীৰ্ঘকাল মুখে মুখে চলি অহাৰ পিছত ধৰ্ম্মীয় শ্লোক সমূহ লিপিবদ্ধ কৰাত যাউতিযুগীয়া ধৰ্ম্মীয় সাহিত্য বেদৰ সৃষ্টি হোৱাৰ লেখীয়া বিহুগীত সমূহো নিৰক্ষৰ চহা কবি সকলৰ বিহুগীত বিলাকেও কালক্ৰমত লিপিবদ্ধ হৈ নিজস্ব সৌন্দৰ্য্য আৰু মাধুৰ্য্যতাৰে প্ৰকাশিত হৈ অসমীয়া লোক সংস্কতিৰ ভৰালত এক আপুৰুগীয়া সম্পদৰ স্থান দখল কৰি আহিছে। এই বোৰৰ ভিতৰত অসমীয়া কৃষ্টিৰ বৰ্ণনা সমূহে অতুলনীয় তাৎপৰ্য্যতা বহন কৰি আহিছে।

" অতিকৈ চেনেহৰ মুগাৰে মেখেলা
তাতোকৈ চেনেহৰ মাকো, তাতোকৈ চেনেহৰ
বহাগৰ বিহুটি, নেপাতি কেনেকৈ থাকো।"

অৰ্থাৎ অসমীয়াৰ তাতশালৰ লগত বিহুৰ অবিচ্ছেদ্য সম্পৰ্ক আৰু তাতশাল হৈছে অসমীয়া সংস্কতিখ এক অমূল্য সম্পদ আৰু কৃষ্টি - সংস্কৃতিৰ এক উৎকৃষ্ট নিদৰ্শন।

অতীতকালৰ নিৰক্ষৰ কবিসকলে বিদ্যাৰ আড়ম্বৰ নকৰাকৈ, ব্যাকৰণৰ মেৰ পাকত নোসোমোৱকৈ সৰলভাবে হৃদয়ৰ দুবাৰ মুকলি কৰি অন্তৰৰ ভাৱৰাশি ব্যক্ত কৰিবলৈ সমৰ্থবান হৈছে। সাহিত্যৰ অলঙ্কাৰৰ নাম গোন্ধ নোপোৱা চহাকবিৰ কণ্ঠত লালিত্যময়ী বিহুগীত নিগৰি ওলাইছিল চাওঁক –

" নাওঁ হেঙুলীয়া বঠা হেঙুলীয়া
আৰু হেঙুলীয়া ছৈ,
চেনাইটিৰ মূৰৰে জাপি হেঙুলীয়া
বিজুলী বাহৰে দৈ। "

আকৌ –

“ কাহৰে বাতিতে সৰিয়হ পিছলে
নিয়ৰত পিছলে ভৰি,
কথাৰে লাচতে, কথাটি পিছলে
কথাতে খোপনি ধৰি। ”

বিশেষভাবে উল্লেখযোগ্য যে অকল চিত্ৰধৰ্ম্মী - গুণটোৰ বাবেই যে বিহুগীত বিলাক মধুৰ আৰু অনুপম এনে নহয়, চহা জীৱনৰ লগত সাঙুৰ খাই থকা অতুলনীয় শব্দ ৰাজিৰ প্ৰয়োগৰ জৰিয়তেওঁ বিহুগীত বিলাকে - অপূৰ্ব্ব সৌন্দৰ্য বিৰাজ কৰিছে তাত কোনো সন্দেহ নাই। যেনে ঃ- দলনি দপনি, ৰদে চৌ চৌ, তিয়হৰ জালি, জালি জাপি আদি শব্দ বোৰেও বিহুগীতৰ অনুপম সৌন্দৰ্য্য বঢ়াইছে।

অলংকাৰ শাস্ত্ৰৰ ভূ-ভা নোপোৱা চহা কবিৰ কণ্ঠৰ বিহুগীতে সৰ্ব সাধাৰণ মানুহৰ মনছুই যোৱাৰ ওপৰিও তাত অনুপ্ৰাস অলংকাৰৰ উদাহৰণ লক্ষণীয়। মানুহৰ আনন্দৰ আৰু মিলনৰ ক্ষেত্ৰত বন্ধুত্ব স্থাপন কৰাতই যথেষ্ঠ অৰিহনা যোগাইছে । যেনে ঃ-

ধনে ধনে কৰি ধনকে ঘটিলো
পৰমে যতনে কৰি,
ধনো গ'ল উচলি, দেহা গ'ল পিছলি
লগত গ'ল দুচলি খৰি।

এই গীতটি দেহ বিচাৰৰ সমতুল্য যেন লাগে। বিশেষ ভাবে উল্লেখযোগ্য যে বিহুগীত বিলাকত যৌৱন উতলোৱা আবেগ-অনুভূতি, আকুলতা, বিৰহ -বেদনা প্ৰেম প্ৰীতিয়ে প্ৰধান যদিও তাৰ মাজেদি কৃষি প্ৰধান জন-জীৱনৰ বিভিন্ন ছবি প্ৰস্ফুটিত হোৱা পৰিলক্ষিত হয়। ধান-তোলা, ভূঁইৰোৱা, তাতবোৱা, মাকো পিছলা, তাৰ ওপৰি অসমীয়া সমাজৰ প্ৰধান ৰীতি বিহুৱান বোৱা, দিয়া প্ৰভৃতি গীত সমূহে অসমৰ লোক সংস্কৃতিৰ সৌন্দৰ্য্যৰ ভঁৰাল টনকিয়াল কৰাৰ ওপৰিও ৰস সৃষ্টিত বিহুৰ প্ৰাসঙ্গিকতাত প্ৰধান স্থান দখল কৰিবলৈ সমৰ্থবান হৈছে। বিহুৰ তাৎপৰ্য্যতাৰ ওপৰিও এই গীত সমূহে সংস্কৃতিৰ ক্ষেত্ৰতো বিশেষ প্ৰাধান্যতা লাভ কৰা পৰিলক্ষিত হয়।